DAILY ASSAM

# (২) শিক্ষামনোবিজ্ঞান আৰু ইয়াৰ অধ্যয়নৰ গুৰুত্ব
# (Educational Psychology and its Significance)

**বিষয় বস্তু**

ক) শিক্ষামনোবিজ্ঞান কি?
খ) শিক্ষামনোবিজ্ঞানৰ পৰিসৰ
গ) শিক্ষামনোবিজ্ঞানৰ পদ্ধতিসমূহ
ঘ) শিক্ষামনোবিজ্ঞানৰ গুৰুত্ব- শিক্ষকে কিয় মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন?
ঙ) শিক্ষামনোবিজ্ঞান আৰু মনো-বিজ্ঞানৰ পাৰ্থক্য।
চ) সাৰাংশ

**উদ্দেশ্য**

এই অধ্যায় অধ্যয়ন কৰাৰ পাছত তোমালোকে—

- শিক্ষামনোবিজ্ঞানৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিবা।
- শিক্ষামনোবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে জানিবা।
- শিক্ষামনোবিজ্ঞানৰ ব্যৱহৃত কেইবিধমান মনকৰিবলগীয়া পদ্ধতিৰ চমু আভাস পাবা।
- শিক্ষকে কিয় মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন? শিক্ষামনোবিজ্ঞানৰ গুৰুত্ব আৰু এজন শিক্ষকৰ বাবে মনোবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োজন সম্পৰ্কে জানিব পাৰিবা।
- শিক্ষামনোবিজ্ঞান আৰু মনোবিজ্ঞানৰ পাৰ্থক্য সম্বন্ধে বিচাৰ কৰিবলৈ সক্ষম হ'বা।

DAILY ASSAM



## প্ৰস্তাৱনা

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে পূৰ্বৰ অধ্যায় অধ্যয়ন কৰোতে বুজি পাইছা মনোবিজ্ঞানৰ কেইবাটিও শাখা আছে। এই শাখাসমূহৰ ভিতৰত শিক্ষামনোবিজ্ঞান অন্যতম। ই প্ৰয়োগিক মনোবিজ্ঞানৰ এক বিশেষ গুৰুত্বপূৰ্ণ, প্ৰয়োজনীয় আৰু জনপ্ৰিয় শাখা। এইবিধ মনোবিজ্ঞানে ঘাইকৈ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশত দেখা দিয়া বিভিন্ন সমস্যা আৰু শৈক্ষিক পৰিৱেশৰ লগত জড়িত ছাত্ৰ- ছাত্ৰীৰ আচৰণসমূহ অধ্যয়ন কৰে। শিক্ষামনোবিজ্ঞানে শিক্ষণৰ ক্ষেত্ৰত বহুধৰণৰ নীতি, তথ্য আদি উদ্ভাৱন কৰিছে আৰু শ্ৰেণীকক্ষৰ শিক্ষণ কাৰ্য বেছি ফলপ্ৰসূ কৰাৰ অৰ্থে এই উদ্ভাৱনসমূহ প্ৰয়োগ কৰে।

এই অধ্যায়ত তোমালোকে শিক্ষা-মনোবিজ্ঞান কি? ইয়াৰ পৰিসৰ, শিক্ষামনোবিজ্ঞানৰ পদ্ধতিসমূহ, শিক্ষা-মনোবিজ্ঞানৰ গুৰুত্ব— শিক্ষকে কিয় মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন আৰু মনোবিজ্ঞান আৰু শিক্ষামনোবিজ্ঞানৰ কেইটিমান পাৰ্থক্য সম্পৰ্কে জানিবলৈ পাবা।

## (ক) শিক্ষামনোবিজ্ঞান কি? (What is Educational Psychology)

শিক্ষামনোবিজ্ঞান প্ৰয়োগিক মনোবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ শাখা। জে. এইচ পেস্তালজী, ছুইজাৰলেণ্ডৰ বিখ্যাত দাৰ্শনিক, শিক্ষাবিদক (J.H. Pestalozzi) শিক্ষামনোবিজ্ঞানৰ জন্মদাতা পিতৃস্বৰূপ বুলি গণ্য কৰিব পাৰি।

শিক্ষামনোবিজ্ঞান— দুটা শব্দৰ সমষ্টি— 'শিক্ষা' আৰু 'মনোবিজ্ঞান'। গতিকে বুজিব পাৰি যে ই এনে এটি মনোবিজ্ঞানৰ শাখা যাৰ শিক্ষাৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। মনোবিজ্ঞানৰ দ্বাৰা সৃষ্ট শিক্ষাৰ বিভিন্ন তত্ত্ব, নীতিসমূহ, শিক্ষণ কাৰ্যত প্ৰয়োগ কৰাৰ ফলস্বৰূপে শিক্ষামনোবিজ্ঞান নামৰ শাখাটোৰ উৎপত্তি হৈছে। সেয়েহে শিক্ষামনোবিজ্ঞানক শিক্ষণৰ মনোবিজ্ঞান (Psychology of learning) বুলিও কোৱা হয়। যিকোনো শিক্ষাব্যৱস্থাৰ ঘাই কাম হৈছে— শিক্ষণ আৰু শিক্ষাদান। শিক্ষণ (learning) এবিধ জটিল প্ৰক্ৰিয়া। এজন ব্যক্তিৰ শাৰীৰিক, মানসিক আৱেগিক আদি বিষয়সমূহ এই প্ৰক্ৰিয়াৰ লগত জড়িত। ইয়াৰ উপৰিও শিক্ষণ প্ৰক্ৰিয়াই শিক্ষাৰ্থীসকলৰ বিভিন্ন ক্ষমতা যেনে জন্মগতভাৱে লাভ কৰা গুণসমূহ, আগ্ৰহ, সৃজনাত্মক শক্তি আদিৰ ক্ষেত্ৰত থকা ব্যক্তি পাৰ্থক্যৰ সম্বন্ধেও বিচাৰ বিবেচনা কৰে। মুঠতে শিক্ষামনোবিজ্ঞানে শিক্ষণ আৰু শিক্ষাদান প্ৰক্ৰিয়াত প্ৰভাৱ পেলাব পৰা সকলো বিষয় সম্বন্ধে অধ্যয়ন কৰে।

শিক্ষামনোবিজ্ঞান কি? — এই সম্বন্ধে মাথোন এটা সৰ্বসন্মত সংজ্ঞা দাঙি ধৰা সম্ভৱ নহয়। এই শাখা-বিষয়ৰ ভিন ভিন লিখকে ভিন ভিন মন্তব্য দাঙি ধৰিছে। তলত কেইটিমান গুৰুত্বপূৰ্ণ সংজ্ঞা উল্লেখ কৰা হ'ল—

শিক্ষামনোবিজ্ঞানৰ, এক বহল পৰিসৰ সংজ্ঞা দাঙি ধৰিছে পিটাৰ চেণ্ডিফোৰ্ড (Peter Sandiford) নামৰ মনোবিদ এজনে। তেখেতে কৈছে যে শিক্ষা মনোবিজ্ঞানৰ বিষয়বস্তু হৈছে শিক্ষা প্ৰক্ৰিয়া গ্ৰহণ কৰি থকা মানৱৰ আচৰণসমূহ। সাধাৰণ কথাত কবলৈ হ'লে ই প্ৰাপ্তবয়স্কৰ নহয়, শিশু সম্বন্ধেহে, আৰু ব্যাপক পৰিৱেশৰ পৰিবৰ্তে বিদ্যালয়ৰ শিক্ষণ পৰিস্থিতি সম্বন্ধেহে আলোচনা কৰে। ('Its subject matter is the behaviour of human beings undergoing the process of education. Generally speaking it deals with the young rather than the old, and with the learning situation of the school rather than those of the wider enviornment', P. Sandiford)

স্কীনাৰ (Skinner) নামৰ আন এজন বিখ্যাত মনোবিদে শিক্ষা– মনোবিজ্ঞানৰ দুটা মনকৰিবলগীয়া সংজ্ঞা আগবঢ়াইছে–

১) শিক্ষামনোবিজ্ঞানে শিক্ষাৰ লগত জড়িত সকলোধৰণৰ আচৰণ আৰু ব্যক্তিত্ব সামৰি লয়। ('Educational Psychology covers the entire range of behaviour and personality as related to education'-Skinner)

২) শিক্ষামনোবিজ্ঞান, মনোবিজ্ঞানৰ সেইটো শাখা যি শিক্ষাদান আৰু শিক্ষণ সম্পৰ্কে আলোচনা কৰে। ('Educational psychology is that branch of psychology which deals with teaching and learning',- Skinner)

ছাত্ৰ-ছাত্ৰীসকল উপৰোক্ত আলোচনাৰ পৰা জানিব পাৰিছা শিক্ষামনোবিজ্ঞান কি?এই সম্বন্ধে ইয়াকে ক'ব পাৰি যে শিক্ষামনোবিজ্ঞান প্ৰয়োগিক মনোবিজ্ঞানৰ এনে এক শাখা যি শিক্ষা সম্বন্ধীয় সকলো মানৱ আচৰণ আৰু শিক্ষণ শিক্ষাদান প্ৰক্ৰিয়াত প্ৰভাৱ পেলাব পৰা সকলো মানসিক দিশ অধ্যয়ন কৰে।

**মনত ৰাখিবলগীয়া**

১) শিক্ষামনোবিজ্ঞান প্ৰায়োগিক মনোবিজ্ঞানৰ এক শাখা।

২) এই বিজ্ঞানে শিক্ষাৰ্থীয়ে শিক্ষণ-শিক্ষাদান প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা আচৰণসমূহ অধ্যয়ন কৰে।

৩) শিক্ষামনোবিজ্ঞানে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন মানসিক, আবেগিক দিশসমূহ আৰু সেইসমূহে শিক্ষাদান – শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ পেলাব পাৰে সেই সম্বন্ধে আলোচনা কৰে।

DAILY ASSAM



## (খ) শিক্ষামনোবিজ্ঞানৰ পৰিসৰ (Scope of Educational Psychology)

শিক্ষামনোবিজ্ঞানৰ পৰিসৰ স্বভাৱতেই বহল। কাৰণ ই দুটা বিষয় সাঙুৰি লৈছে— শিক্ষা আৰু মনোবিজ্ঞান। মনোবিজ্ঞানৰ এইবিধ শাখাই শিক্ষা বা শিক্ষা সংক্ৰান্ত বিষয়ৰ লগত জড়িত সকলোধৰণৰ মানৱ আচৰণ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিবলৈ বিচাৰে। কিন্তু এইটোও সত্য যে যিহেতুকে আচৰণ সম্বন্ধে আগতীয়াকৈ স্থিৰ সিদ্ধান্ত ল'ব নোৱাৰি বা আচৰণ পৰিৱৰ্তনশীল সেয়েহে শিক্ষামনোবিজ্ঞানক বিজ্ঞানৰ অন্য শাখাৰ দৰে প্ৰকৃত অৰ্থত 'বিজ্ঞান' বুলিব নোৱাৰি। সি যিকিনহওঁক শিক্ষামনোবিজ্ঞানে 'শিক্ষা-ক্ষেত্ৰখনৰ' লগত জড়িত 'কেনেকৈ', 'কেতিয়া' আৰু 'কি' প্ৰশ্নৰ উত্তৰৰ বাবে বিজ্ঞানসন্মত অধ্যায়ন কৰি আহিছে। সেয়েহে ইয়াৰ পৰিসৰ ব্যাপক হোৱা স্বাভাৱিক। প্ৰশ্ন উঠে, অধ্যয়নৰ পৰিসৰ বুলিলে কি বুজায়? যিকোনো পঠনীয় বিষয়ৰ পৰিসৰ বুলিলে সেই বিষয়ৰ পৰিধিৰ অন্তৰ্ভুক্ত ক্ষেত্ৰসমূহকে বুজায়। বহল দৃষ্টিৰে চাবলৈ গ'লে শিক্ষা মনোবিজ্ঞানে চাৰিবিধ বিষয়বস্তু ঘাইকৈ সাঙুৰি লয় সেইকেইবিধ হ'ল -- শিক্ষাৰ্থী, শিক্ষণ প্ৰক্ৰিয়া, শিক্ষাদান আৰু শিক্ষণৰ পৰিস্থিতি-পৰিৱেশ আৰু মূল্যায়ন।

তলত শিক্ষামনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত কেইটামান বিশেষ ক্ষেত্ৰ উল্লেখ কৰা হ'ল--

১) শিক্ষাৰ্থী (Learner)- যিকোনো শিক্ষাব্যৱস্থাৰ কেন্দ্ৰবিন্দু হ'ল - শিক্ষাৰ্থীসকল। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰেই নিজস্ব গুণ আৰু সুপ্ত প্ৰতিভা থাকে। এইবিলাকে তেওঁলোকৰ শৈক্ষিক জীৱন তথা শৈক্ষিক উন্নতি, অৱনতিৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলায়। সেয়েহে শিক্ষামনোবিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ এক ঘাই বিষয়বস্তু হৈছে শিক্ষাৰ্থী। ই শিক্ষাৰ্থীসকলৰ স্বভাৱ বা প্ৰকৃতি আৰু আচৰণসমূহ অধ্যয়ন কৰে আৰু সিবিলাকে শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ পেলাব পাৰে সেই সম্বন্ধে বুজিবলৈ যত্ন কৰে।

২) ব্যক্তি পাৰ্থক্য (Individual difference)- প্ৰত্যেক শিশুৱে জন্মগতভাৱে কেতবোৰ গুণৰ অধিকাৰী হৈ আহে। বিদ্যালয়ত ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীসকল এনেবোৰ গুণৰ ক্ষেত্ৰত এজন আনজনৰ পৰা পৃথক। জন্মগতভাৱে লাভ কৰা গুণবোৰ শাৰীৰিক মানসিক দুয়োধৰণৰ হ'ব পাৰে। আনকি যজাঁ সন্তানৰ মাজতো কিছু পৰিমানে হ'লেও পাৰ্থক্য পৰিলক্ষিত হয়। গতিকে এইটো প্ৰতীয়মান যে শিশুসকল জন্মগত আৰু আৰ্জিত-দুয়োবিধ গুণতেই ইজনে সিজনৰ পৰা পৃথক। এই গুণসমূহে তেওঁলোকৰ আচৰণ আৰু শৈক্ষিক জীৱনৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলায়। গতিকে শিক্ষামনোবিজ্ঞানে ব্যক্তি পাৰ্থক্য সম্বন্ধে

বিবেচনা কৰা অতি প্ৰয়োজন। এনে কৰিলে শিক্ষাব্যৱস্থা ছাত্ৰ-ছাত্ৰীৰ উপযোগী কৰি গঢ়ি তুলিব পাৰি।

৩) **পৰিৱেশৰ ভূমিকা (Role of Enviornment)**-- শিক্ষাক এক ত্ৰিপক্ষীয় প্ৰক্ৰিয়া বুলি কোৱা হয়। সেইকেইবিধ হ'ল -- শিক্ষাৰ্থী, শিক্ষক আৰু পৰিৱেশ। পৰিৱেশ বিভিন্ন প্ৰকাৰৰ যেনে— গৃহ পৰিৱেশ, শ্ৰেণী-পৰিৱেশ, সামাজিক পৰিৱেশ আদি। এই পৰিৱেশসমূহৰ বিভিন্ন কাৰকে ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ শৈক্ষিক জীৱনৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলায়। শিক্ষা মনোবিজ্ঞানে পৰিৱেশ অধ্যয়ন কৰে আৰু শিক্ষাৰ্থী আৰু শিক্ষকৰ অনুকুল হোৱাকৈ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত সহায় কৰে।

৪) **বিকাশৰ বৈশিষ্ট্যসমূহ (Developmental Characteristics)**- বিখ্যাত ফৰাচী দাৰ্শনিক আৰু শিক্ষাবিদ জে.জে. ৰুচোৰ মতে মানৱজীৱনৰ ঘাইকৈ চাৰিটা স্তৰ আছে। সেইকেইটা হ'ল- শৈশৱ কাল, ল'ৰালি কাল, কৈশোৰ কাল আৰু প্ৰাপ্তবয়স্কৰ কাল। মনোবিদসকল প্ৰায় সৰ্বসন্মত যে জন্মৰ পৰা পাঁচ বা ছয় বছৰলৈ শৈশৱকাল, ছয় বছৰৰ পৰা বাৰ বা তেৰ বছৰলৈ ল'ৰালি কাল ।বাৰ বা তেৰ বছৰৰ পৰা ওঠৰ বছৰলৈ কৈশোৰ কাল আৰু জীৱনৰ বাকী কালছোৱা প্ৰাপ্তবয়স্ক কাল। বিকাশৰ এই বিভিন্ন স্তৰত বেলেগ বেলেগ ধৰণৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। শিক্ষামনোবিজ্ঞানে এই বৈশিষ্ট্যসমূহ আৰু শিক্ষাদান-শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত সেইসমূহৰ প্ৰভাৱ সম্বন্ধে অধ্যয়ন কৰে। এইখিনিতে এইটো কথা মনত ৰখা উচিত যে শিক্ষামনোবিজ্ঞানে জীৱনৰ আগভাগত পৰিলক্ষিত বৈশিষ্ট্যসমূহ অধ্যয়নতহে আগ্ৰহী, শেষৰছোৱাৰ নহয়।

৫) **অচেতন মনৰ অধ্যয়ন (Study of unconscious mind)**- আমাৰ মনৰ তিনিটা দিশ আছে বুলি মনোবিদসকলে ঠাৱৰ কৰিছে। এই দিশকেইটা হৈছে সচেতন, অৱচেতন আৰু অচেতন দিশ। এইটো স্বীকাৰ্য যে আমাৰ শিক্ষণ কাৰ্য তথা জীৱনৰ বিভিন্ন কাম-কাজ সম্পাদনৰ ক্ষেত্ৰত চেতন মনে ঘাইকৈ প্ৰভাৱ পেলায়। কিন্তু সেইবুলি অচেতন মনৰ ভূমিকা অৱহেলা কৰিব নোৱাৰি। মনোগৱেষকসকলৰ মতে শিক্ষাৰ্থীসকলে বহুসময়ত কেতবোৰ অস্বাভাৱিক আচৰণ প্ৰদৰ্শন কৰে আৰু এনে আচৰণৰ কেন্দ্ৰস্থল হৈছে মনৰ অচেতন দিশ। অচেতন মনৰ গুৰুত্বলৈ লক্ষ্য ৰাখি শিক্ষা মনোবিজ্ঞানে অচেতন মনৰ অধ্যয়ন ইয়াৰ পৰিসৰ অন্তৰ্ভুক্ত কৰিছে।

৬) **শিক্ষণ-শিক্ষাদানৰ পদ্ধতি (methods of learning-teaching)**

শিক্ষকে শিক্ষাদান কাৰ্য আৰু শিক্ষাৰ্থীয়ে শিক্ষণ লাভত নানাধৰণৰ পদ্ধতি অৱলম্বন কৰে। শিক্ষামনোবিজ্ঞানৰ পৰিসৰ


DAILY ASSAM



অন্তৰ্ভুক্ত আন এটি বিষয় হৈছে শিক্ষণ। শিক্ষাদানৰ বিভিন্ন পদ্ধতিসমূহৰ নীতি আৰু প্ৰয়োজনীয়তা আদি অধ্যয়ন কৰি সবাতোকৈ ফলপ্ৰসু পদ্ধতি চিনাক্তকৰণ কৰা আৰু শিক্ষাক্ষেত্ৰত সেইসমূহৰ উপযুক্ত প্ৰয়োগ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা শিক্ষা মনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

**৭) পৰিমাপকৰণ আৰু মূল্যায়ন (Measurement and Evaluation)**- শিক্ষামনোবিজ্ঞান অধ্যয়নৰ পৰিসৰৰ আন দুটা গুৰুত্বপূৰ্ণ বিষয়বস্তু হৈছে পৰিমাপকৰণ আৰু মূল্যায়ন। শিক্ষাৰ্থীৰ ভিন ভিন মানসিক শক্তিসমূহৰ বিজ্ঞানসন্মত পৰিমাপকৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক যোগ্যতাৰ মূল্যায়ন অতি প্ৰয়োজনীয় আৰু সেয়েই শিক্ষামনোবিজ্ঞানে এই দুয়োবিধ বিষয়েও অধ্যয়ন কৰে।

**৮) নিৰ্দেশনা আৰু পৰামৰ্শদান (Guidance and Counselling)**- বৰ্তমানে শিক্ষাক্ষেত্ৰত বহুধৰণৰ সমস্যাৰ উদ্ভৱ হোৱা দেখা গৈছে। ইয়াৰে কেতবোৰ শিক্ষাকেন্দ্ৰিক আৰু কিছুমান শিক্ষাৰ্থীকেন্দ্ৰিক। শিক্ষাক্ষেত্ৰত দেখা দিয়া বিশেষ ধৰণৰ সমস্যাৰ সমাধানৰ অৰ্থে নিৰ্দেশনা আৰু পৰামৰ্শদানৰ প্ৰয়োজন। এনে নিৰ্দেশনা আৰু পৰামৰ্শদান মনোবিজ্ঞানৰ জ্ঞান আৰু বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিয়েহে দিব পাৰে। আধুনিক শিক্ষা ব্যৱস্থাত নিৰ্দেশনা আৰু পৰামৰ্শদানৰ প্ৰয়োজনীয়তা দিনে দিনে বৃদ্ধি পোৱাৰ পৰিপেক্ষিতত। এই দুয়োবিধ বিষয় শিক্ষামনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত হৈছে। আন কথাত শিক্ষামনোবিজ্ঞানে শিক্ষাক্ষেত্ৰত নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ভূমিকা সম্পৰ্কেও আলোচনা কৰে।




শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ

## (গ) শিক্ষামনোবিজ্ঞানৰ পদ্ধতিসমূহ (Methods of Educational Psychology)

শিক্ষামনোবিজ্ঞান প্ৰয়োগিক মনোবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ শাখা। ইয়াক এবিধ বাস্তৱমুখী বিজ্ঞান বুলিব পাৰি। এই বিজ্ঞানে ব্যক্তিৰ বিভিন্ন মানসিক প্ৰক্ৰিয়া আৰু আচৰণ অধ্যয়ন কৰে। মানৱ প্ৰকৃতি আৰু আচৰণ অধ্যয়ন কৰাটো এক কঠিন আৰু জটিল কাম। এনে কাৰ্যৰ বাবে সেয়েহে শিক্ষামনোবিদসকলে বিভিন্ন পদ্ধতি অৱলম্বন কৰিছে। তলত শিক্ষামনোবিজ্ঞানৰ কেইবিধমান পদ্ধতি সম্পৰ্কে আলোচনা আগবঢ়োৱা হ'ল ঃ-

**১) অন্তদৰ্শন পদ্ধতি - (Introspection Method)-** ইংৰাজী Introspection শব্দৰ অভিধানিক অৰ্থ হ'ল— 'to examine one's own feeling and thoughts' ব্যক্তিয়ে নিজে নিজৰ মনত ভাৱ, চিন্তা আদিক পৰীক্ষা কৰি চোৱাই হৈছে অন্তদৰ্শন। মনোবিজ্ঞান অধ্যয়নৰ পদ্ধতিসমূহৰ ভিতৰত অন্তদৰ্শন সবাতোকৈ পুৰণি আৰু ই অতীত মনোবিদসকলৰ মাজত যথেষ্ট জনপ্ৰিয় আছিল। এই পদ্ধতি দাঙি ধৰা মনোবিদসকলৰ মতে মনোদৈহিক ক্ষেত্ৰত এজন ব্যক্তিয়ে যি অভিজ্ঞতা অনুভৱ কৰে যি সকলোমানুহৰ একেধৰণৰ হোৱা দেখা যায়। উদাহৰণস্বৰূপে দুখ, সুখ, আনন্দ আদিৰ অনুভূতি সকলোৰে ক্ষেত্ৰত একে ধৰণৰ গতিকে অন্য এক ব্যক্তিৰ মানসিক প্ৰক্ৰিয়া বা অৱস্থাৰ বিষয়ে বুজ ল'বলৈ হ'লে নিজৰ মন আৰু মানসিক অনুভূতিসমূহ বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন। অন্তদৰ্শন পদ্ধতিয়ে সেয়েহে বিশ্বাস কৰে যে আনৰ মন আৰু মানসিক ক্ৰিয়াসমূহৰ বিষয়ে জ্ঞান লাভৰ বাবে ব্যক্তিয়ে নিজৰ মন আৰু মানসিক অৱস্থাৰ বিষয়ে অনুসন্ধান কৰাটো নিতান্তই প্ৰয়োজনীয়। কাৰণ অন্তদৰ্শনে নিৰ্ভৰযোগ্য তথ্যৰ যোগান ধৰিব পাৰে বুলি এচাম মনোবিদে বিশ্বাস কৰে।

**অন্তদৰ্শন পদ্ধতিৰ সুবিধাসমূহ ঃ-** মনোবিদসকলে অন্তদৰ্শন পদ্ধতিৰ কেইটিমান সুবিধা আঙুলিয়াই দিছে—

বিখ্যাত মনোবিদ উইলিয়াম জেমছে এই পদ্ধতি সুবিধাজনক বুলি উল্লেখ কৰিছে। তেখেতৰ মতে আত্ম নিৰীক্ষণৰ গুৰুত্ব সবাতোকৈ অধিক। বৰ্তমানত আৰু ভৱিষ্যতেও নিৰ্ভৰ কৰিব পাৰি, তেখেতৰ লিখনীৰে ক'বলৈ গ'লে— 'Introspective observation what we have to rely on first and foremost and always'.

শিক্ষামনোবিজ্ঞান অধ্যয়নত ব্যৱহৃত বিভিন্ন পদ্ধতিৰ ভিতৰত অন্তদৰ্শন হৈছে সবাতোকৈ সহজ-সৰল আৰু সহজলভ্য প্ৰণালী।

অন্তদৰ্শন পদ্ধতিৰ এক মনকৰিবলীয়া দিশ হৈছে যে এই পদ্ধতিৰ নিজস্ব এক ইতিহাস বা ঐতিহাসিক সম্বন্ধে গৱেষণা কৰিবলৈ উৎসাহিত

DAILY ASSAM



কৰিছিল, যাৰ ফলত মনোবিজ্ঞানৰ ন, ন, দিশ আৰু শিক্ষামনোবিজ্ঞান অধ্যয়নৰ নতুন নতুন পদ্ধতিৰ উদ্ভাৱন হ'ল।

**অন্তদৰ্শন পদ্ধতিৰ অসুবিধাসমূহ**

মানুহৰ মানসিক অৱস্থা স্থিৰ অৱস্থাত নাথাকে। আমি সকলোৱে জানো যে মানসিক স্থিতিৰ দ্রুত পৰিৱৰ্তন হয়। গতিকে এজন ব্যক্তিয়ে আন এজনৰ মানসিক অৱস্থা সম্পৰ্কে জানিবলৈ অন্তদৰ্শন প্ৰয়োগ কৰা মাত্ৰেই হয়তো মানসিক অৱস্থাৰ পৰিৱৰ্তন ঘটিব পাৰে।

অন্তদৰ্শন পদ্ধতিক ব্যক্তিকেন্দ্রিক বুলিও সমালোচনা কৰা হয়। এই পদ্ধতিৰে লাভ কৰা তথ্যসমূহ সেয়েহে নিৰ্ভৰযোগ্য নহয়।

এই পদ্ধতিৰ আৰু এটা বিশেষ অসুবিধা এয়ে যে - ইয়াক শিশু আৰু মানসিক ৰোগীৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। আকৌ অন্তদৰ্শন পদ্ধতি কৃতকাৰ্যভাৱে প্ৰয়োগৰ বাবে অতি সুদক্ষ আৰু প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিৰ প্ৰয়োজন।

**২) নিৰীক্ষণ পদ্ধতি (The method of observation)** নিৰীক্ষণ শব্দই পৰ্যবেক্ষণ বা লক্ষ্য কৰা বুজায়। শিক্ষামনোবিজ্ঞান অধ্যয়নৰ এক জনপ্ৰিয় আৰু উপযোগী পদ্ধতি হৈছে নিৰীক্ষণ বা পৰ্য্যবেক্ষণ। এজন ব্যক্তিৰ মানসিকতা প্ৰকাশিত হয় তেওঁ দেখুওৱা আচৰণৰ মাধ্যমেৰে। নিৰীক্ষণ পদ্ধতিয়ে ব্যক্তিৰ প্ৰদৰ্শিত বাহ্যিক আচৰণসমূহ নিৰীক্ষণৰ জৰিয়তে মানৱ মনৰ স্বৰূপ অধ্যয়ন কৰিবলৈ চেষ্টা কৰে। এই পদ্ধতিয়ে বিশ্বাস কৰে যে যিহেতু শৰীৰ মনৰ অবিচ্ছেদ্য সম্বন্ধ আছে; আমাৰ মানসিক অৱস্থা, ভাৱ, অনুভুতি আদি বিভিন্ন ধৰণৰ শাৰীৰিক প্ৰতিক্ৰিয়া, তথা আচৰণ আদিৰ যোগেৰে প্ৰকাশ পায়। গতিকে এই সমূহৰ যদি প্ৰণালীবদ্ধভাৱে নিৰীক্ষণ কৰা হয়, তেতিয়াহ'লে মনৰ স্বৰূপ বুজিব পৰা যাব। কিন্তু সৰ্বসাধাৰণ লোকৰ দ্বাৰা এনে কাৰ্য সম্ভৱ নহয়। বিজ্ঞানসন্মতভাৱে নিৰীক্ষণ কৰাৰ অৰ্থে নিৰীক্ষণকাৰী অভিজ্ঞ আৰু প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগিব।

নিৰীক্ষণ ভিন্ন প্ৰকাৰৰ হ'ব পাৰে যেনে– প্ৰত্যক্ষ আৰু পৰোক্ষ। স্বাভাৱিক আৰু কৃত্ৰিম, পৰিকল্পিত আৰু অপৰিকল্পিত, অংশগ্ৰহণ কৰা আৰু অংশগ্ৰহণ নকৰা আদি। প্ৰত্যক্ষ নিৰীক্ষণ পদ্ধতিত এজন ব্যক্তিৰ আচৰণ পোনপটীয়াভাৱে আৰু পৰোক্ষ পদ্ধতিত আওপকীয়াভাৱে নিৰীক্ষণ কৰা হয়। সেইদৰে স্বাভাৱিক বা প্ৰাকৃতিক নিৰীক্ষণত ব্যক্তিৰ আচৰণ স্বাভাৱিক অৱস্থাত স্বাভাৱিকভাৱে আৰু কৃত্ৰিম নিৰীক্ষণত কৃত্ৰিম পৰিৱেশ সৃষ্টি কৰি কৃত্ৰিম উপায়েৰে আচৰণ পৰ্যবেক্ষণ কৰা হয়। পৰিকল্পিত নিৰীক্ষণত পূৰ্ব পৰিকল্পিত প্ৰক্ৰিয়াৰে নিৰীক্ষণ আৰু তাৰ বিপৰীতে পৰিকল্পনাবিহীনভাৱেও আচৰণৰ নিৰীক্ষণ কৰা হয়। অংশ গ্ৰহণকাৰী নিৰীক্ষণত নিৰীক্ষণ কৰোতাজন নিৰীক্ষণৰ দলটো এজন সদস্য হৈ নিজৰ পৰ্যবেক্ষণ কাৰ্য

চলায়। আনহাতে অংশ গ্ৰহণ নকৰা পদ্ধতিত নিৰীক্ষক কোনো দলৰ সদস্য নহৈ স্বাধীনভাৱে নিজৰ কাৰ্য চলাই যায়।

**নিৰীক্ষন পদ্ধতিৰ সুবিধা ঃ-**

নিৰীক্ষণ বা পৰ্যবেক্ষণ এক সুবিধাজনক আৰু উপযোগী পদ্ধতি আৰু গৱেষকসকলে প্ৰায়েই এই পদ্ধতি প্ৰয়োগ কৰে।

নিৰীক্ষণ এক বিজ্ঞানসন্মত পদ্ধতি আৰু ইয়াৰ জৰিয়তে লাভ কৰা তথ্যসমূহ নিৰ্ভৰযোগ্য বুলি বিবেচনা কৰা হয়।

এই পদ্ধতিৰ জৰিয়তে শিশুসকলৰ আচৰণজনিত সমস্যাসমূহ চিনাক্তকৰণ কৰিব পৰাৰ লগতে সেইসমূহৰ নিৰাময়ৰ বাবে উপযুক্ত ব্যৱস্থা হাতত ল'ব পাৰি।

অসুবিধাসমূহ ঃ-

নিৰীক্ষণ পদ্ধতিৰ যোগেৰে এজন ব্যক্তিৰ কেৱল বাহ্যিক আচৰণসমূহৰহে অধ্যয়ন কৰিব পাৰি। আনহাতে এইটো সত্য যে কেৱল বাহ্যিক আচৰণ নিৰীক্ষণৰ দ্বাৰা এজন ব্যক্তিৰ মানসিকতাৰ সম্পূৰ্ণ আৰু শুদ্ধ আভাষ পোৱা কঠিন।

নিৰীক্ষণ পদ্ধতিৰ আনটো অসুবিধা এয়ে যে এই পদ্ধতিৰে প্ৰাপ্ত তথ্যৰ অৰ্থ ব্যাখ্যা নিৰ্ভৰযোগ্য নহ'বও পাৰে। কাৰণ তথ্যৰ অৰ্থ ব্যাখ্যা বহুক্ষেত্ৰত নিৰীক্ষকৰ ব্যক্তিগত কাৰণৰ দ্বাৰা প্ৰভাৱিত হব পাৰে।

নিৰীক্ষণ পদ্ধতিৰ সমালোচকসকলে আৰু এটা বিষয়ৰ প্ৰতি আঙুলিয়াই দিছে। তেওঁলোকৰ মতে নিৰীক্ষণ পদ্ধতিত সাধাৰণতে দুই ধৰণৰ ক্ৰটি পৰিলক্ষিত হয়। এটা ভুল হয়, যিটো পৰিৱেশত নিৰীক্ষণ কৰা হয় সেই পৰিৱেশ চিনাক্তকৰণ বিভ্ৰাতৰ বাবে আনটো নিৰীক্ষকৰ ব্যক্তিগত ক্ৰটি। নিৰীক্ষকৰ নিৰীক্ষণ প্ৰক্ৰিয়া সম্বন্ধে সম্যক জ্ঞান আৰু কলা-কৌশলৰ পাৰদৰ্শিতা নাথাকিলে এনে ভুল হ'ব পাৰে।

**৩) নৈদানিক পদ্ধতি (Clinical Method)**

এই বিধ শিক্ষামনোবিজ্ঞান অধ্যয়নৰ এক মনকৰিবলগীয়া পদ্ধতি। নৈদানিক পদ্ধতি সাধাৰণতে ব্যক্তি সমযোজনৰ আচৰণজনিত সমস্যা অধ্যয়ন কৰাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। এজন ব্যক্তিয়ে যেতিয়া মানসিক কাৰণবশতঃ আনৰ লগত সুস্থ সম্বন্ধ গঢ়ি তুলিব নোৱাৰে, তেতিয়া। অস্বাভাৱিক আচৰণৰ যোগেদি নিজৰ মানসিক অৱস্থা প্ৰকাশ কৰে। উদাহৰণস্বৰূপে অপসমযোজনত ভোগা লোকে সমাজবিৰোধী ক্ৰিয়াত লিপ্ত হয়, আবেগিক অস্থিৰতাত ভূগে শিক্ষণৰ ক্ষেত্ৰত অনগ্ৰসৰ হয় ইত্যাদি। নৈদানিক পদ্ধতিৰ ঘাই উদ্দেশ্য হৈছে এজন ব্যক্তিৰ এক সমস্যা বিষয়বস্তু (Case) হিচাপে লৈ অধ্যয়ন কৰা বা এটা বিশেষ দলৰ সভ্যসকলক 'কেচসমূহ' হিচাপে গণ্য কৰি তেওঁলোকৰ সমস্যাসমূহ চিনাক্তকৰণ কৰা আৰু নিৰাময়ৰ

DAILY ASSAM



অৰ্থে পৰামৰ্শ আগবঢ়োৱা।

**নৈদানিক পদ্ধতিৰ সুবিধাসমূহ**

এই পদ্ধতিয়ে যিকোনো বিষয়বস্তু পুংখানুপংখভাৱে অধ্যয়ন কৰে। নৈদানিক পদ্ধতিৰে 'কেচ' হাতত ল'লে ব্যক্তিৰ অতীত আৰু বৰ্তমানৰ সকলো কথা বা ঘটনাৰ বিৱৰণ জানিবলৈ চেষ্টা কৰা হয়। এইবিলাকৰ ওপৰত ভিত্তি কৰিয়েই সমস্যাজড়িত আচৰণ অধ্যয়ন কৰা হয়।

নৈদানিক পদ্ধতিয়ে অপসমযোজন সম্বন্ধে অধ্যয়ন কৰে। অপসমযোজনৰ কাৰণ বিচাৰ কৰাৰ ক্ষেত্ৰত নৈদানিক পদ্ধতিয়ে ব্যক্তিৰ বাহ্যিক আচৰণৰ লগতে সচেতনবিহীনভাৱে দেখুওৱা আচৰণসমূহো অধ্যয়ন কৰে।

নৈদানিক এবিধ বিজ্ঞানসন্মত পদ্ধতি। গতিকে এই পদ্ধতি প্ৰয়োগৰ দ্বাৰা লাভ কৰা তথ্য নিৰ্ভৰযোগ্য বুলি বিবেচনা কৰা হয়।

**নৈদানিক পদ্ধতিৰ অসুবিধাসমূহ ঃ-**

নৈদানিক পদ্ধতি প্ৰয়োগৰ বাবে 'কেচ' তৈয়াৰ কৰা এটা কঠিন কাম। কাৰণ যিজন 'ব্যক্তিক' অধ্যয়ন কৰা হব তেওঁৰ জীৱনৰ অতীত আৰু বৰ্তমানৰ সকলোধৰণৰ খা-খবৰ সংগ্ৰহ কৰাৰ প্ৰয়োজন। এই সম্পৰ্কে ৰোগী নাইবা তেওঁৰ নিকটতম আত্মীয় স্বজনৰ পৰা তথ্যবোৰ সংগ্ৰহ কৰা হয়। যদি তেওঁলোকে সঠিক আৰু শুদ্ধ তথ্যৰ যোগান নধৰে তেতিয়া অধ্যয়ন ফলপ্ৰসু নোহোৱাৰ সম্ভাৱনা থাকে।

নৈদানিক পদ্ধতিত বহুসময়ত ব্যক্তি এজনৰ জটিল আচৰণসমূহ পৰ্যবেক্ষণ কৰি নিৰাময়ৰ পৰামৰ্শ প্ৰদান কৰাটো কঠিন হোৱা দেখা যায়।

আকৌ ব্যক্তি এজনক 'কেচ' হিচাপে অধ্যয়ন কৰাৰ পাছত মনোবিদসকলে প্ৰাপ্ত তথ্যৰ অৰ্থ ব্যাখ্যা কৰা প্ৰয়োজন। বহুসময়ত এনে ব্যাখ্যা শুদ্ধ নোহোৱাও পৰিলক্ষিত হয়।

**৪. পৰীক্ষণ পদ্ধতি (Experimental Method)** শিক্ষামনোবিজ্ঞান অধ্যয়নৰ আন এটি জনপ্ৰিয় পদ্ধতি হৈছে পৰীক্ষণ পদ্ধতি। বৰ্তমানে মনোবৈজ্ঞানিক গৱেষণাগাৰৰ বহুল প্ৰচলনৰ ফলস্বৰূপে এই প্ৰণালীৰ অধিক ব্যৱহাৰ হোৱা দেখা গৈছে। পৰীক্ষণ পদ্ধতিত গৱেষণাগাৰৰ নিয়ন্ত্ৰিত পৰিৱেশৰ মাজত আচৰণ অথবা মানসিক শক্তিসমূহৰ পৰ্যবেক্ষণ আৰু অধ্যয়ন কৰা হয়। বিশেষকৈ এজন ব্যক্তিৰ মানসিক শক্তিসমূহৰ ওপৰত এই পদ্ধতিৰে বিজ্ঞানসন্মত পৰীক্ষা-নিৰীক্ষা কৰিব পৰা যায়। উদাহৰণস্বৰূপে মনোবিদ থৰ্নডাইকে মানুহৰ শিক্ষণ ক্ষমতা সম্পৰ্কে জানিবৰ বাবে কৰা পৰীক্ষাসমূহ। মুঠতে পৰীক্ষণ পদ্ধতিত যিহেতুকে সকলো প্ৰক্ৰিয়া বিজ্ঞানসন্মত আৰু পূৰ্ব পৰিকল্পিতভাৱে কৰা হয়, সেয়েই ইয়াক এক নিৰ্ভৰযোগ্য পদ্ধতি বুলি ক'ব পাৰি।

### পৰীক্ষণ পদ্ধতিৰ সুবিধাসমূহ

পৰীক্ষণ পদ্ধতিক মনোবিদসকলে এক সুন্দৰ ব্যৱস্থাপনাযুক্ত পদ্ধতি বুলি মন্তব্য দিছে। কাৰণ এই পদ্ধতিত পূৰ্ব পৰিকল্পিত আঁচনি মতে কামত অগ্ৰসৰ হোৱা হয়।

এই পদ্ধতিত পৰীক্ষাসমূহ এক নিয়ন্ত্ৰিত পৰিৱেশত সম্পাদন কৰা হয়। সেয়েই প্ৰাপ্ত ফল নিৰ্ভৰযোগ্য বুলি বিবেচিত হয়।

বৰ্তমান যুগ কম্পিউটাৰৰ যুগ। পৰীক্ষণ পদ্ধতিৰ গৱেষণাগাৰত কম্পিউটাৰৰ সহায়েৰে প্ৰাপ্ত তথ্যসমূহৰ বিশ্লেষণ কৰা হয়। গতিকে এনে পদ্ধতিৰে অধিক নিৰ্ভৰযোগ্য সিদ্ধান্তত আহিবলৈ মনোবিদসকল বৰ্তমানে সক্ষম হৈছে।

### পৰীক্ষণ পদ্ধতিৰ অসুবিধাসমূহ

পৰীক্ষণ পদ্ধতিৰ ঘাই দুৰ্বলতা বা অসুবিধা এয়ে যে এই পদ্ধতিত এক কৃত্ৰিম পৰিৱেশ সৃষ্টি কৰি গৱেষণাগাৰত 'বিষয়বস্তুটোৰ' ওপৰত পৰীক্ষা-নিৰীক্ষা চলোৱা হয়। এই পৰিৱেশ 'বিষয়বস্তুৰ' স্বাভাৱিক পৰিৱেশতকৈ সম্পূৰ্ণ পৃথক বাবে স্বাভাৱিক প্ৰতিক্ৰিয়া, সহজে লাভ কৰিব নোৱাৰি।

এই পদ্ধতিৰ দ্বাৰা প্ৰাপ্ত তথ্যই এজন ব্যক্তিৰ সম্পূৰ্ণ আচৰণ সম্পৰ্কে মতামত দিব নোৱাৰে। কাৰণ আচৰণ হৈছে ব্যক্তি আৰু পৰিৱেশ- পৰস্পৰৰ মাজত সংঘটিত হোৱা ক্ৰিয়াৰ ফল।

পৰীক্ষণ পদ্ধতি সহজলভ্য নহয়। ইয়াক সঘনে প্ৰয়োগ কৰাও অসুবিধা। কাৰণ এই পদ্ধতি প্ৰয়োগৰ বাবে এফালে যিদৰে অধিক অৰ্থৰ প্ৰয়োজন, আনহাতে ই সময়সাপেক্ষও।

**৫. ঘটনা বিৱৰণী পদ্ধতি (case history/ study method)** ঘটনা বিৱৰণী পদ্ধতি চিকিৎসাশাস্ত্ৰৰ পৰা অহা বুলি কোৱা হয়। এই পদ্ধতিত এজন বিশেষ ব্যক্তিক "বিষয়বস্তু" হিচাপে লৈ অধ্যয়ন কৰা হয়। শিক্ষাক্ষেত্ৰত সাধাৰণতে যিবিলাক শিশু সমস্যাযুক্ত তেওঁলোকক অধ্যয়নৰ 'বিষয়বস্তু' হিচাপে লেৱা হয়। উদাহৰস্বৰূপে শিশুৰ শিক্ষণৰ অক্ষমতা বা অসুবিধা, আবেগিক অস্থিৰতা, আচৰণজনিত সমস্যা আদি দেখা যায়। ঘটনাৰ বিৱৰণী পদ্ধতিৰ জৰিয়তে এনে শিশু চিনাক্তকৰণ কৰি অতি সাৱধানেৰে অধ্যয়ন কৰা হয়। শিশুটি সম্বন্ধীয় নানাধৰণৰ তথ্য পাতি যেনে শিশুৰ অতীত জীৱন বুৰঞ্জী, তেওঁৰ জীৱনত ঘটনা বিশেষ ঘটনা যি মানসিক সমস্যাৰ সৃষ্টি কৰিব পাৰে, আদি বিতংকৈ অধ্যয়ন কৰা হয়। তাৰোপৰি শিশুটিৰ বৰ্তমানৰ শাৰীৰিক, মানসিক, আবেগিক, সামজিক স্থিতি সম্বন্ধেও বিচাৰ-বিবেচনা কৰা হয়। বিজ্ঞানসন্মতভাৱে এইসমূহ বিষয়ৰ তথ্য সংগ্ৰহ আৰু বিশ্লেষণে শিশুসকলৰ সমস্যাসমূহৰ প্ৰকৃত কাৰণ নিৰ্দ্ধাৰণ আৰু নিবাময়ৰ ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত সহায়কাৰী হয়। কেৱল সমস্যাযুক্ত শিশুৰ ক্ষেত্ৰতেই নহয়, ঘটনা

DAILY ASSAM



বিৰবণী পদ্ধতিয়ে অতি প্ৰতিভাশালী শিশুৰ কেতবোৰ সমস্যা সমাধানতো বিশেষ সহায় আগবঢ়াব পাৰে।

**ঘটনা বিৰবণী পদ্ধতিৰ সুবিধাসমূহ**

ঘটনা বিৰবণী এবিধ বহুল ব্যৱহৃত আৰু জনপ্ৰিয় পদ্ধতি। এই পদ্ধতিৰ প্ৰয়োগেৰে মনোবিদসকলে ব্যক্তিৰ কেতবোৰ বিশেষধৰণৰ বৈশিষ্ট্য অধ্যয়ন কৰিবলৈ সমৰ্থ হয়।

এই পদ্ধতি শিক্ষাবিদ আৰু মনোবিদ-সকলৰ বাবে বিশেষভাৱে প্ৰয়োজনীয়। কাৰণ ইয়াৰ সহায়েৰে ছাত্ৰ-ছাত্ৰীৰ আচৰণজনিত সমস্যা আৰু ফলস্বৰূপে হোৱা অপসমযোজনৰ কাৰণসমূহ নিৰ্ণয় কৰিব পাৰি আৰু প্ৰয়োজনসাপেক্ষে তেওঁলোকক সহায় আগবঢ়াব পাৰি।

ঘটনা বিৰবণী পদ্ধতি অৱলম্বন কৰি এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ আচৰণৰ সমস্যা নিৰাময় কৰি তেওঁলোকক সুস্থ জীৱন যাপনত সহায় কৰিব পাৰে।

**ঘটনা বিৰবণী পদ্ধতিৰ অসুবিধাসমূহ ঃ-**

ঘটনা বিৰবণী পদ্ধতি এক দীঘলীয়া আৰু সময় সাপেক্ষ পদ্ধতি।

এই পদ্ধতিৰ দ্বাৰা প্ৰাপ্ত ফলাফল সম্পূৰ্ণ শুদ্ধ আৰু নিৰ্ভৰযোগ্য নহবও পাৰে। কাৰণ এই ধৰণৰ অধ্যয়নৰ ফল ঘাইকৈ নিৰ্ভৰ কৰে আনৰ পৰা সংগ্ৰহীত তথ্যৰ ওপৰত।

ঘটনা বিৰবণী পদ্ধতিৰ অন্য এক অসুবিধা এয়ে যে এই পদ্ধতিৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ আৰু সেইবিলাকৰ উপযুক্ত বিশ্লেষণ এক কঠিন কাৰ্য।

**৬. সমাজমিতিক পদ্ধতি (Sociometric Method)** এই পদ্ধতিৰ নামটোৰ পৰাই অনুমেয় যে ইয়াক ব্যক্তিৰ সামাজিক আচৰণসমূহ অধ্যয়নৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। সমাজমিতিক পদ্ধতিৰ জৰিয়তে দুজন ব্যক্তিৰ মাজত সামাজিক সম্বন্ধ কেনেধৰণৰ, অথবা কোনো এটা বিশেষ গোটৰ সদস্যসকলৰ মাজৰ সম্বন্ধ কেনেধৰণৰ তাক অধ্যয়ন তথা নিৰ্ণয় কৰিব পাৰি। এজন শিক্ষকে এই পদ্ধতি প্ৰয়োগৰ সহায়েৰে তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলৰ মাজত মনো-সামাজিক সম্বন্ধ কেনেধৰণৰ, সেই বিষয়ে অৱগত হ'ব পাৰে।

এই পদ্ধতিৰ ক্ষেত্ৰত এখন প্ৰশ্নাৱলী তৈয়াৰ কৰাৰ প্ৰয়োজন হয়। শিক্ষক এজনে প্ৰশ্নাৱলী তৈয়াৰ কৰোতে এনে ধৰণৰ প্ৰশ্ন উপস্থাপন কৰা উচিত যিবিলাকে এজন ছাত্ৰৰ তেওঁৰ সমনীয়াসকলৰ প্ৰতি থকা মনো-সামাজিক সম্বন্ধৰ স্বৰূপ পোহৰলৈ আনিব পাৰে। উদাহৰণস্বৰূপে এনেধৰণৰ প্ৰশ্ন প্ৰশ্নাৱলীত অৰ্ন্তভুক্ত কৰিব পাৰি। 'শ্ৰেণীৰ সমনীয়াৰ ভিতৰত তোমাৰ আটাইতকৈ প্ৰিয় বন্ধু কোন?' 'শ্ৰেণীৰ নায়ক হবলৈ কাক নিৰ্বাচন কৰিবা?' আদি। এনেধৰণৰ প্ৰশ্নসমূহৰ উত্তৰ বিশ্লেষণ কৰি শিক্ষকে শ্ৰেণীৰ সবাতোকৈ প্ৰিয় আৰু অপ্ৰিয়

ছাত্ৰজন চিনাক্তকৰণ কৰিব পাৰে। ১৯৪৬ চনত প্ৰথমবাৰৰ সমাজমিতিক পদ্ধতিৰ বিকাশ ঘটাইছিল দুজন বিশিষ্ট চিন্তাবিদে। তেখেতসকল হ'ল– ড° জে. এল. মোৰেন' (Dr. J. L. Moreno) আৰু হেলেন জেনিংচ (Hellen Jennings)। তেখেতসকলে ব্যক্তিসমূহ এটা দল বা গোটৰ বাবে কিমানদূৰ গ্ৰহণযোগ্য — এই কথাতো নিৰ্ণয় কৰিবৰ বাবে সমাজমিতি পদ্ধতিৰ প্ৰয়োগ কৰিছিল।

## সমাজমিতি পদ্ধতিৰ সুবিধাসমূহ

সমাজমিতি পদ্ধতি সামাজিক সম্বন্ধৰ বিষয়ে অধ্যয়ন কৰিবৰ বাবে অতি উত্তম আৰু প্ৰয়োজনীয় কৌশল।

এই পদ্ধতি প্ৰয়োগৰ সহায়েৰে শিক্ষক অথবা আন কোনো ব্যক্তিয়ে এজন ব্যক্তিৰ প্ৰতি সমাজ বা গোটৰ আন সদস্যৰ কেনেধৰণৰ মনোভাৱ সহজেই চিনাক্তকৰণ কৰিব পাৰে।

সমাজমিতিৰ পদ্ধতিৰ দ্বাৰা প্ৰাপ্ত তথ্যসমূহ অতি সাধাৰণভাৱে ৰেখাচিত্ৰৰ সহায়েৰে উপস্থাপন কৰিব পাৰি।

## সমাজমিতি পদ্ধতিৰ অসুবিধাসমূহ ঃ-

সমাজমিতি পদ্ধতিৰ ঘাই অসুবিধা এয়ে যে ইয়াৰ জৰিয়তে ব্যক্তিত্বৰ কেৱল এটি সংলক্ষণহে অধ্যয়ন কৰিব পাৰি। সেই সংলক্ষণটো হৈছে সামাজিকতা বা সমাজিক যোগ্যতা।

এই পদ্ধতিত প্ৰয়োগকৰা তথ্য আহৰণৰ প্ৰণালী বিজ্ঞানসন্মত নহয় বুলি অভিযোগ কৰা হয়। কাৰণ তথ্য সংগ্ৰহ ঘাইকৈ 'মতামত' সংগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰে।

সমাজমিতি পদ্ধতিত ছাত্ৰ-ছাত্ৰীসকলে কেতবোৰ প্ৰশ্নৰ সমাধান দিয়াৰ প্ৰয়োজন। বহুসময়ত এজন ছাত্ৰৰ কোনো প্ৰশ্নৰ প্ৰতি উত্তৰ প্ৰদানৰ ক্ষেত্ৰত সমনীয়াৰ হেঁচাৰ প্ৰভাৱ পৰিব পাৰে।

## ৭) প্ৰক্ষিপ্ত পদ্ধতি (Projective Method)

মানৱ মন স্বভাৱতেই জটিল। মনৰ সচেতন আৰু অৱচেতনৰ উপৰিও আৰু এটা দিশ আছে যাক অচেতন মন বুলি কোৱা হয়। মানুহৰ বহুতো চিন্তা, ভাৱনা, ভাৱ-অনুভূতি ইচ্ছা-আকাংক্ষা এই অচেতন মনত দমন কৰি ৰখা হয়। আনহাতে এনে অৱমিত বিষয়বিলাকে এজন ব্যক্তিৰ বাহ্যিক আচৰণৰ ওপৰত বিশেষ প্ৰভাৱ পেলায়। গতিকে মনৰ এই অচেতনতা আৰু ইয়াত অৱদমিত বিষয়সমূহৰ বিষয়ে জনাতো মনোবিদসকলৰ বাবে বিশেষ প্ৰয়োজন। প্ৰক্ষিপ্ত পদ্ধতি হৈছে এনে এবিধ মনোবিশ্লেষণকাৰী উপায় যাৰ দ্বাৰা অচেতন মন সম্বন্ধে অধ্যয়ন কৰিব পাৰি। এই পদ্ধতিৰ সহায়েৰে এজন ব্যক্তিয়ে প্ৰদৰ্শন কৰা অস্বাভাৱিক আচৰণৰ অন্তৰালত নিহিত কাৰণসমূহৰ বহিঃপ্ৰকাশ কৰিবলৈ যত্ন কৰা হয়। প্ৰক্ষিপ্ত পদ্ধতিৰ বিভিন্ন প্ৰকাৰ আছে– যেনে ইঙ্কব্লট টেষ্ট (Inkblot Test) যাৰ আৱিস্কাৰক

DAILY ASSAM



আছিল ছুইজাৰলেণ্ডৰ বিখ্যাত মনোচিকিৎসক হাৰমেন্ ৰৰচাক (১৯২১ চন) (Herman Rorscharch 1921)। আনকেই বিধ উল্লেখযোগ্য প্ৰক্ষিপ্ত পদ্ধতিৰ নাম হ'ল– মুক্ত অনুষঙ্গ, (Free Association Test) ছবি অংকন, (Painting), বাক্য পূৰ্ণকৰণ (Sentence Completion), থিমেটিক এপাৰচেপচন (Thematic Apperception) ইত্যাদি।

### প্ৰক্ষিপ্ত পদ্ধতিৰ সুবিধাসমূহ

প্ৰক্ষিপ্ত পদ্ধতিত প্ৰয়োগ কৰা কৌশলসমূহ এনেধৰণৰ তৈয়াৰ কৰা হৈছে যে এইবিলাকে ব্যক্তিৰ মনৰ অবদমিত বিষয়বোৰ সহজেই পোহৰলৈ আনি মনৰ জটিলতা দূৰ কৰাত সহায় কৰে।

মনোচিকিৎসকসকলৰ বাবে প্ৰক্ষিপ্ত পদ্ধতিসমূহ অতিশয় প্ৰয়োজনীয়। কাৰণ এই বিলাকৰ সহায়েৰে মানসিক ৰোগ চিনাক্তকৰণ আৰু নিৰাময় ব্যৱস্থা কৰিব পাৰি।

প্ৰক্ষিপ্ত পদ্ধতিৰ সহায়েৰে এজনলোকৰ ব্যক্তিত্বৰ সম্পূৰ্ণ আভাস লাভ কৰিব পাৰি।

### প্ৰক্ষিপ্ত পদ্ধতিৰ অসুবিধাসমূহ ঃ-

প্ৰক্ষিপ্ত পদ্ধতিৰ ঘাই দুৰ্বলতা হিচাপে মনোবিদসকলে আঙুলিয়াই দি কৈছে যে এই পদ্ধতি ঘাইকৈ ব্যক্তিধৰ্মী। সেয়েহে স্কুলৰ পৰামৰ্শদাতাসকলৰ বাবে ই উপযোগী নহয়।

আকৌ এজন সাধাৰণ শিক্ষকে এই পদ্ধতি ছাত্ৰ-ছাত্ৰীৰ ওপৰত প্ৰয়োগ কৰা সম্ভৱ নহয়। কাৰণ ইয়াৰ বাবে বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন।

প্ৰক্ষিপ্ত পদ্ধতি সময়-সাপেক্ষ। ইয়াৰ পৰা লব্ধ হোৱা তথ্যসমূহৰ বিশ্লেষণো এক কঠিন কাম।

**৮) পৰিসংখ্যাভিত্তিক পদ্ধতি (Statistical Method)** মনোবিদসকলে নানান পদ্ধতি প্ৰয়োগৰ যোগেৰে মানুহৰ মন আৰু আচৰণ অধ্যয়ন কৰিবলৈ চেষ্টা কৰে। এনে পৰীক্ষাসমূহৰ ফলাফল বিশ্লেষণ কৰাৰ ক্ষেত্ৰত পৰিসংখ্যা-ভিত্তিক পদ্ধতিৰ ব্যৱহাৰ কৰা হয়। যেতিয়া মানসিক শক্তি যেনে— বুদ্ধি নিৰ্ণয়ৰ বাবে মনোবিদ সকলে বুদ্ধি পৰীক্ষা প্ৰয়োগ কৰে, ফলস্বৰূপে কেতবোৰ সংখ্যভিত্তিক ফল অথবা মানাংক লাভ কৰে। এনে সংখ্যা বা মানাংকসমূহৰ শুদ্ধ উত্তৰ ধাৰ্য কৰিবলৈ কেতবোৰ পৰিসংখ্যাভিত্তিক নিয়মৰ সহায় লোৱা হয়। উদাহৰণস্বৰূপে সংখ্যা বা মানাংকসমূহ নিৰ্দ্ধাৰিত নিয়মেৰে সজাই তুলি ৰেখা অংকনৰ যোগেৰে প্ৰকাশ কৰা হয়। মনোবৈজ্ঞানিক গৱেষণাত ঘাইকৈ এইসমূহ পৰিসংখাভিত্তিক পদ্ধতি প্ৰয়োগ কৰা হয়– কেন্দ্ৰীয় প্ৰৱণতাৰ পৰিমাপন, বিচ্যুতি পৰিমাপন, সহসম্বন্ধ গুণাংক পৰিমাপন ইত্যাদি।

### পৰিসংখ্যাভিত্তিক পদ্ধতিৰ সুবিধাসমূহ

পৰিসংখ্যাভিত্তিক পদ্ধতিৰ সবাতোকৈ মনকৰিব লগীয়া সুবিধা এয়ে যে ইয়াত সম্পূৰ্ণ বিজ্ঞানসন্মত নিয়মনীতি অনুসৰণ কৰা হয়।

ই এক নিৰ্ভৰযোগ্য পদ্ধতি। এই পদ্ধতি প্ৰয়োগৰ দ্বাৰা প্ৰাপ্ত তথ্য সমূহ সংখ্যাৰ সহায়েৰে প্ৰকাশ কৰিব পাৰি।

**পৰিসংখ্যাভিত্তিক পদ্ধতিৰ অসুবিধাসমূহ ঃ-**

পৰিসংখ্যাভিত্তিক পদ্ধতিৰ প্ৰয়োগ সহজ নহয়। সাধাৰণ শিক্ষকে ইয়াক প্ৰয়োগ কৰিব নোৱাৰে। এই পদ্ধতিৰ প্ৰয়োগৰ বাবে পৰিসংখ্যাৰ ক্ষেত্ৰত বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ প্ৰয়োজন।

যিকোনোধৰণৰ মানসিক শক্তিৰ পৰিমাপনৰ শুদ্ধ ফলাফল নিৰ্ভৰ কৰে শুদ্ধ পৰিসংখ্যাভিত্তিক প্ৰণালীৰ প্ৰয়োগৰ ওপৰত। যদি পৰিসংখ্যা প্ৰণালীৰ ভুল প্ৰয়োগ হয় তেতিয়া হ'লে পৰীক্ষাৰ শুদ্ধ ফলাফল পোৱা নাযাব আৰু ই ছাত্ৰ-ছাত্ৰীৰ বাবে ক্ষতিকাৰক হব পাৰে।

(ঘ) **শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব— শিক্ষকে কিয় মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন? (Significance of Educational Psychology)** ছাত্ৰ-ছাত্ৰীসকল, ইতিমধ্যে তোমালোকে অৱগত হৈছা যে শিক্ষামনোবিজ্ঞান এবিধ প্ৰায়োগিক মনোবিজ্ঞানৰ শাখা। ই ঘাইকৈ শিক্ষণ-শিক্ষাদান পৰিস্থিতিত শিক্ষাৰ্থীয়ে দেখুওৱা আচৰণ অধ্যয়ন কৰে। শিক্ষামনোবিজ্ঞানে শিক্ষণৰ লগত জড়িত বিভিন্ন সমস্যাসমূহো অধ্যয়ন কৰে। সেয়েই এইবিধ মনোবিজ্ঞানক শিক্ষণৰ মনোবিজ্ঞান বুলিও কোৱা হয়। শিক্ষামনোবিজ্ঞান এবিধ বহল পৰিসৰৰ বিষয়। এই বিষয়টোৱে শিশুৰ শাৰীৰিক, মানসিক, আৱেগিক দিশ অধ্যয়ন কৰাৰ উপৰিও আন আন বিষয় যেনে পৰিৱেশ, শিক্ষক, পাঠ্যক্ৰম আদি যিসমূহৰ শিক্ষণৰ ওপৰত প্ৰভাৱ পৰে সকলোকে সাঙুৰি লয়।

অতীজতে শিক্ষাক্ষেত্ৰত শিক্ষাৰ্থীৰ মানসিক শক্তি আৰু প্ৰয়োজনসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল। গুৰুত্ব দিয়া হৈছিল কেৱল শিক্ষকৰ ওপৰত। ফৰাচীদেশৰ বিখ্যাত দাৰ্শনিক আৰু শিক্ষাবিদ জে. জে. ৰুচোই প্ৰথমবাৰৰ বাবে তেখেতৰ বিখ্যাত গ্ৰন্থ 'ইমিল'ত (Emile) উল্লেখ কৰিছিল যে শিশুসকলক তেওঁলোকৰ নিজস্ব স্বভাৱ অনুযায়ী শিক্ষা প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত তেওঁক অনুসৰণ

মনত ৰাখিবলগীয়া

শিক্ষামনোবিজ্ঞান অধ্যয়নৰ পদ্ধতিসমূহঃ

- অন্তদৰ্শন পদ্ধতি
- নিৰীক্ষণ পদ্ধতি
- নৈদানিক পদ্ধতি
- পৰ্যৱেক্ষণ পদ্ধতি
- ঘটনাৱলী পদ্ধতি
- সমাজমিতিৰ পদ্ধতি
- প্ৰক্ষিপ্ত পদ্ধতি
- পৰিসংখ্যাভিত্তিক পদ্ধতি

DAILY ASSAM



কৰিছিল ছুইজাৰলেণ্ডৰ শিক্ষক এইচ পেস্তালজীয়ে। এইজন পণ্ডিতে যেতিয়া শিক্ষাদানত মনোবৈজ্ঞানিক নীতি প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল, তেওঁৰ প্ৰতি অতি কম সংখ্যক লোকেহে সঁহাৰি জনাইছিল। কিন্তু লাহে লাহে শিক্ষাবিদসকলে শিক্ষাক্ষেত্ৰত মনো-বিজ্ঞানসন্মত নীতিৰ প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন হ'বলৈ ধৰিলে। বৰ্তমান শিক্ষাৰ লগত জড়িত সকলো ব্যক্তিয়ে উপলব্ধি কৰে যে এজন উপযুক্ত শিক্ষকৰ পাঠৰ জ্ঞান থকাৰ উপৰিও শিক্ষাৰ্থীৰ মন অৰ্থাৎ তেওঁলোকৰ মানসিকতা সম্বন্ধে সম্যক জ্ঞান থাকিব লাগিব।

আধুনিক শিক্ষা শিশুকেন্দ্ৰিক, শিক্ষাৰ সকলো দিশতে যেনে পাঠ্যক্ৰম প্ৰস্তুতকৰণ, শিক্ষণপ্ৰণালী, মূল্যায়ন আদিত মনোবৈজ্ঞানিক নীতি প্ৰয়োগ কৰা দেখা গৈছে। মুঠতে শিশু শিক্ষাৰ লগত জড়িত সকলো ব্যক্তি অথবা অনুষ্ঠানে শিক্ষাক্ষেত্ৰত মনোবিজ্ঞান অধ্যয়নৰ গুৰুত্ব উপলব্ধি কৰিছে।

তিনিটা বিষয়ে ঘাইকৈ শিক্ষা জগতখনত গুৰুত্ব লাভ কৰে — শিক্ষাৰ্থী, শিক্ষণ প্ৰক্ৰিয়া আৰু শিক্ষণৰ পৰিৱেশ। শিশুৰ মানসিকতা সম্বন্ধে জ্ঞান লাভ কৰি শিশুক বুজি উঠাত সহায় কৰে মনোবিজ্ঞানে। শিক্ষণ কি, শিক্ষণ প্ৰক্ৰিয়া কেনেধৰণে সংঘটিত হয়, কি কি বিষয়ে শিক্ষণ প্ৰক্ৰিয়া ফলপ্ৰসূ হোৱাত অৰিহণা আগবঢ়ায় আদিৰ বিষয়ে জ্ঞান-দান কৰে। শিক্ষণৰ পৰিৱেশে ছাত্ৰ-ছাত্ৰীৰ মানসিকতা, আচৰণ তথা সম্পূৰ্ণ শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে। শিক্ষণৰ পৰিৱেশ বুলিলে ঘাইকে শিক্ষানুষ্ঠানৰ পৰিৱেশ, শ্ৰেণীৰ পৰিৱেশ আৰু অন্যান্য অৱস্থা যিবিলাকে শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত প্ৰভাৱ পেলাব পাৰে সেইসমূহকে বুজায়। এইক্ষেত্ৰত শিক্ষা মনোবিজ্ঞানৰ জ্ঞানে দুই ধৰণে সহায় কৰে— প্ৰথম শিক্ষণৰ উপযুক্ত বাতাবৰণ বা পৰিৱেশ সৃষ্টি কৰা আৰু দ্বিতীয় শিক্ষণ প্ৰক্ৰিয়া উপযোগী পৰিৱেশ চিনাক্তকৰণ কৰা। কাৰণ শিক্ষণ প্ৰক্ৰিয়াৰ কৃতকাৰ্যতা ঘাইকে এইবিলাক বিষয়ৰ ওপৰতে নিৰ্ভৰ কৰে।

গতিকে দেখা যায় যে শিক্ষাক্ষেত্ৰত শিক্ষামনোবিজ্ঞানৰ যথেষ্ট অৱদান আছে আৰু সেয়েহে এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

**শিক্ষকে কিয় মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন? (Why a teacher needs to study psychology?)**

বহুবছৰ পূৰ্বেই জন আদাম নামৰ এজন শিক্ষাবিদে শিক্ষকসকলে মনোবিজ্ঞান অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেখেতৰ মতে 'শিক্ষণ নামৰ ক্ৰিয়া পদটোৱে দুটা বিষয় সাঙুৰি লয়— এটা হ'ল ব্যক্তিজন আৰু আনটো হ'ল বিষয়টো, শিক্ষকে 'জন' নামৰ ল'ৰাজনক লেটিন ভাষা শিকায়, শিক্ষকে লেটিন জনাৰ লগতে জনকো জনা উচিত ('The verb of teaching governs two accusatives, one

the person and another the thing- The teacher taught John Latin, the teacher should know John as well as Latin') । ইয়াৰ পৰা বুজা যায় যে প্ৰতিজন শিক্ষকৰ পঠনীয় বিষয়বস্তুৰ জ্ঞান থকাৰ লগতে শিক্ষাৰ্থীৰ মানসিকতা সম্বন্ধেও জ্ঞানৰ প্ৰয়োজন আৰু ইয়াৰ বাবে আৱশ্যক মনোবিজ্ঞান অধ্যয়নৰ। তাৰোপৰি শ্ৰেণীত পাঠদানৰ উপৰিও বিদ্যালয়ৰ ভিতৰে বাহিৰে এজন শিক্ষকে বহুধৰণৰ ভূমিকা পালন কৰিব লগা হয়। এই সমস্ত দায়িত্ব সুচাৰুৰূপে আৰু ফলপ্ৰসূভাৱে বহন কৰিবলৈ প্ৰতিজন শিক্ষকৰ বাবে মনোবিজ্ঞান অধ্যয়নৰ প্ৰয়োজন।

তলত এজন শিক্ষকে কিয় মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন, সেই বিষয়ে চমুকৈ আলোচনা আগবঢ়োৱা হ'ল—

১) শিশু সম্বন্ধে জ্ঞান অৰ্জনৰ অৰ্থে প্ৰত্যেক শিশুৰ অন্তৰ্নিহিত সুপ্ত প্ৰতিভা আছে। শিক্ষাৰ ঘাই উদ্দেশ্য হৈছে সেই প্ৰতিভাসমূহ বিকাশ কৰি শুদ্ধ পথেৰে পৰিচালনা কৰা। এই উদ্দেশ্যত উপনীত হ'বৰ অৰ্থে শিশুৰ মানসিকতা আৰু ইয়াৰ ওপৰত প্ৰভাৱ পেলাব পৰা বিভিন্ন কাৰকবিলাকৰ সম্বন্ধে শিক্ষকৰ জ্ঞান থকা প্ৰয়োজন। মনোবিজ্ঞান অধ্যয়ন এই ক্ষেত্ৰত শিক্ষকক বিশেষ সহায় আগবঢ়াব পাৰে।

২) ব্যক্তিপাৰ্থক্য উপলব্ধি অৰ্থে ঃ- দুজন শিশু স্বভাৱতেই পৃথক। আনকি যঁজা শিশুহঁতৰ মাজতো কিছু পাৰ্থক্য দেখা যায়। শাৰীৰিক, মানসিক, আৱেগিক বৈশিষ্ট্যৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ মাজত নানাধৰণৰ পাৰ্থক্য পৰিলক্ষিত হয়। ইয়াৰ উপৰিও শিকন ক্ষমতাৰ ক্ষেত্ৰতো পাৰ্থক্য থাকে। কিছুমান শিশু আছে অতি তীক্ষ্ণ বুদ্ধিৰ, ক্ষিপ্ৰ গতিৰে শিক্ষণ প্ৰক্ৰিয়াত আগবাঢ়ি যায়, আনহাতে বুদ্ধি কেঁচা বাবে শিক্ষণত অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীও দেখা যায়। গতিকে শিক্ষক এজনে বিভিন্ন ধৰণৰ ব্যক্তি পাৰ্থক্যৰ শিক্ষাৰ্থীসকলক চিনাক্ত কৰণ কৰি উপযুক্ত শিক্ষা প্ৰদান কৰা প্ৰয়োজন। ইয়াৰ বাবে দৰকাৰ শিক্ষকৰ মনোবিজ্ঞান অধ্যয়নৰ।

৩) বিকাশৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জ্ঞাত হ'বলৈ ঃ জন্মৰ পৰা মৃতুলৈ এজন ব্যক্তিয়ে বিকাশৰ চাৰিটা স্তৰ যেনে শৈশৱকাল, বাল্যকাল, কৈশোৰ কাল আৰু প্ৰাপ্তবয়স্কৰ কাল অতিক্ৰম কৰে। বিকাশৰ এই বিভিন্নস্তৰৰ নিজস্ব কেতবোৰ বৈশিষ্ট্য আছে। ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ শাৰীৰিক মানসিক আবেগিক বৈশিষ্ট্যসমূহে তেওঁলোকৰ শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ সেই সম্বন্ধে জ্ঞান থকা অতি প্ৰয়োজন। এইক্ষেত্ৰত মনোবিজ্ঞান অধ্যয়ন শিক্ষকৰ বাবে অপৰিহাৰ্য।

DAILY ASSAM



৪) **মানসিক স্বাস্থ্য সম্বন্ধে জ্ঞান আহৰণৰ অৰ্থে ঃ** আমাৰ সকলোৰে দৈহিক স্বাস্থ্যৰ দৰে এক মানসিক স্বাস্থ্যও আছে। শিক্ষক-শিক্ষয়ত্ৰী ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। মানসিক স্বাস্থ্যই শিক্ষণ প্ৰক্ৰিয়াত সদায়েই প্ৰভাৱ পেলায়। সেয়েহে মানসিক স্বাস্থ্য কি? মানসিক ৰোগৰ কাৰণসমূহ কি কি? অপসমযোজন কিয় হয়। ইত্যাদি সম্বন্ধে এজন শিক্ষকৰ জ্ঞান থকাতো নিতান্তই প্ৰয়োজন। মনোবিজ্ঞান অধ্যয়নে শিক্ষক এজনক এইবিষয়সমূহৰ সম্যক জ্ঞান দিব পাৰে।

৫) **শিক্ষণ প্ৰক্ৰিয়াৰ জ্ঞান ঃ** শিক্ষণ এক জটিল প্ৰক্ৰিয়া। যিকোনো শিক্ষা ব্যৱস্থাৰ মানদণ্ড নিৰ্ভৰ কৰে শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত। মনোবিজ্ঞানে শিক্ষণৰ বিভিন্ন দিশ যেনে শিক্ষণৰ স্বৰূপ, শিক্ষণৰ নীতি, ভিন ভিন বয়সৰ বাবে বিভিন্ন শিক্ষণ পদ্ধতি আদিৰ বিষয়ে আলোচনা কৰে। সেয়েহে শিক্ষণ সম্বন্ধীয় যিকোনো সমস্যা সমাধানৰ অৰ্থে শিক্ষক এজনৰ মনোবিজ্ঞানৰ জ্ঞান থকা প্ৰয়োজন।

৬) **শ্ৰেণী পৰিৱেশ সম্বন্ধে সজাগতা ঃ** সুস্থ শ্ৰেণী পৰিৱেশ ফলপ্ৰসু শিক্ষণ-শিক্ষাদান কাৰ্যৰ বাবে অতি প্ৰয়োজনীয়। শিক্ষক এই সম্বন্ধে সজাগ হোৱা উচিত। মনোবিজ্ঞান অধ্যয়নে শিক্ষকক শ্ৰেণী পৰিৱেশৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষণ প্ৰক্ৰিয়াৰ ওপৰত প্ৰভাৱ সম্পৰ্কে সচেতন হোৱা আৰু শিক্ষণ শিক্ষাৰ্থীৰ অনুকুল কৰি শ্ৰেণী পৰিৱেশ গঢ়ি তোলাত সহায় কৰে।

৭) **উপযুক্ত শিক্ষণ পদ্ধতি প্ৰস্তুতকৰণ ঃ** ভিন ভিন বয়সৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী কৰি শিক্ষণ পদ্ধতি প্ৰস্তুত কৰাতো শিক্ষকসকলৰ এক গধুৰ দায়িত্ব। কাৰণ শিক্ষাদানৰ সাৰ্থকতা ঘাইকৈ নিৰ্ভৰ কৰে উপযুক্ত পদ্ধতি প্ৰয়োগৰ ওপৰত। নানাধৰণৰ মনোবৈজ্ঞানিক ভিত্তি থকা শিশুৰ বাবে উপযুক্ত শিক্ষণ পদ্ধতি সম্পৰ্কে শিক্ষকসকলে জানিবলৈ আৰু বুজিবলৈ সমৰ্থ হ'ব মনোবিজ্ঞান অধ্যয়নৰ জৰিয়তে।

৮) **দলীয় গতিশীলতা ঃ** এটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এটা দলীয় মন থাকে। দলহিচাপে তেওঁলোকৰ আচৰণ ব্যক্তিগত আচৰণতকৈ পৃথক হয়। দলীয় গতিশীলতাই দলৰ মাজত থকা বিভিন্ন প্ৰক্ৰিয়াক নিৰ্দেশ কৰে। বৰ্ত্তমান সময়ত দলীয় গতিশীলতাই আৰু ফলপ্ৰসু শিক্ষণত ইয়াৰ প্ৰভাৱৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হয়। দলীয় আচৰণ আৰু শিক্ষক-ছাত্ৰৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে জানিবলৈ শিক্ষকে মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন।

৯) **পৰিমাপকৰণৰ আৰু মূল্যায়নৰ সম্যক**

জ্ঞান ঃ শিক্ষাৰ্থীৰ মানসিক শক্তি আৰু সেইসমূহৰ উপযুক্ত পৰিমাপন আধুনিক শিক্ষা ব্যৱস্থাত প্ৰয়োজনীয় বুলি গণ্য কৰা হয়। ইয়াৰ দ্বাৰাহে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা চিনাক্তকৰণ কৰি উপযুক্ত শিক্ষা প্ৰদান কৰা সম্ভৱ। এই মানসিক শক্তিসমূহৰ শুদ্ধ পৰিমাপনৰ অৰ্থে মনোবিদসকলে নানাধৰণৰ পৰীক্ষা প্ৰণালী প্ৰস্তুত কৰি উলিয়াইছে। মনোবিজ্ঞানৰ অধ্যয়নে এজন শিক্ষকক পৰিমাপন সম্বন্ধে সম্যক জ্ঞান লাভ কৰাত সহায় কৰিব।

শিক্ষাৰ্থীৰ শৈক্ষিক অগ্ৰগতিৰ উপযুক্ত মূল্যায়ন কৰাতো প্ৰত্যেক শিক্ষকৰ এক নিতান্ত কৰ্তব্য। এইক্ষেত্ৰতো মনোবিজ্ঞানৰ জ্ঞানে এজন শিক্ষকক সততা আৰু নিষ্ঠাৰে এই কৰ্তব্য পালনত সাহয় কৰিব লগতে তেওঁ মূল্যায়নৰ বিজ্ঞানসন্মত পদ্ধতি প্ৰস্তুত কৰিবলৈও সমৰ্থ হ'ব।

### ৬) শিক্ষা মনোবিজ্ঞান আৰু মনোবিজ্ঞানৰ পাৰ্থক্য-- (Difference between Educationl Psychology and Psychology)

শিক্ষামনোবিজ্ঞান যদিও প্ৰায়োগিক মনোবিজ্ঞানৰ এক শাখা— এই দুবিধ বিষয় একেধৰণৰ নহয়। বিষয় দুটাৰ মাজত তলত উল্লেখ কৰা ধৰণৰ কেতবোৰ পাৰ্থক্য পৰিলক্ষিত হয়—

১) মনোবিজ্ঞান অধ্যয়নৰ পৰিসীমা শিক্ষা মনোবিজ্ঞানতকৈ অধিক প্ৰসাৰিত। দুয়োবিধ বিষয়ৰ অধ্যয়নৰ প্ৰধান বিষয় বস্তু হৈছে মানৱ আচৰণ। মনোবিজ্ঞানে মানৱ আচৰণ এক সামগ্ৰিক ৰূপত অধ্যয়ন কৰে। আনহাতে শিক্ষামনোবিজ্ঞানে কেৱল শিক্ষাৰ্থীৰ আচৰণহে অধ্যয়ন কৰে।

**মনত ৰাখিবলগীয়া**

১) শিক্ষামনোবিজ্ঞানৰ বিভিন্ন পদ্ধতি আছে আৰু প্ৰত্যেকৰে কেতবোৰ সুবিধা-অসুবিধা আছে।
২) অধ্যয়নৰ এক বিষয় হিচাপে শিক্ষামনোবিজ্ঞানৰ গুৰুত্ব আৰু প্ৰয়োজন সম্পৰ্কে সকলো সচেতন।
৩) শিক্ষা আৰু মনোবিজ্ঞানৰ ওতঃপ্ৰোত সম্বন্ধ আছে। এটাৰ অবিহনে আনটো অসম্পূৰ্ণ।
৪) এজন কৃতী শিক্ষক হ'বলৈ হ'লে মনোবিজ্ঞানৰ অধ্যয়ন নিতান্তই প্ৰয়োজন।
৫) মনোবিজ্ঞান অধ্যয়নে এজন শিক্ষকক, শিক্ষাৰ্থী সম্বন্ধে জ্ঞান লাভত তেওঁলোকৰ বিকাশত বৈশিষ্ট্য বুজি উঠাত, ব্যক্তি পাৰ্থক্যৰ বিষয়ে সচেতন হোৱাত, নতুন শিক্ষণ পদ্ধতি প্ৰস্তুত কৰণত, মূল্যায়নৰ যথোচিত সামগ্ৰী প্ৰয়োগ কৰা আদি কাৰ্যত সহায় কৰে।

২) মনোবিজ্ঞান এবিধ তত্ত্ব প্ৰধান বিষয়। এই বিষয়ে সামগ্ৰিকভাৱে মানৱ মন সম্বন্ধীয় নীতি আৰু তত্ত্বসমূহ আলোচনা কৰে। আনহাতে শিক্ষামনোবিজ্ঞান যিহেতুকে প্ৰায়োগিক মনোবিজ্ঞানৰ এক শাখা, সেয়েই ই শিক্ষাক্ষেত্ৰত মনোবৈজ্ঞানিক নীতিসমূহৰ প্ৰয়োগৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে।

৩) অধ্যয়নৰ এক বিষয় হিচাপে মনোবিজ্ঞানৰ দীঘলীয়া ইতিহাস আছে অৰ্থাৎ ই এক পুৰণি বিষয়। আনহাতে তুলনামূলকভাৱে চাবলৈ গ'লে দেখা যায় শিক্ষামনোবিজ্ঞানৰ ধাৰা মনোবিজ্ঞানতকৈ নবীন।

## সাৰাংশ

শিক্ষামনোবিজ্ঞান প্ৰায়োগিক মনোবিজ্ঞানৰ এক শাখা। শিক্ষাবিদ পেস্তালজীক শিক্ষামনোবিজ্ঞানৰ পিতৃ বুলি গন্য কৰা হয়। মনোবৈজ্ঞানিক নীতিসমূহ শিক্ষাক্ষেত্ৰত প্ৰয়োগ কৰাৰ ফলশ্ৰুতি হিচাপেই শিক্ষামনোবিজ্ঞান বিষয়ৰ উৎপত্তি হয়। শিক্ষা মনোবিজ্ঞান কি? এই সম্পৰ্কে বিভিন্ন সংজ্ঞা দাঙি ধৰা হৈছে। পিটাৰ চেণ্ডিফৰ্ডে একে বহল পৰিসৰৰ সংজ্ঞা দাঙি ধৰি কৈছে যে– 'এই বিষয়ৰ অধ্যয়নৰ বিষয়বস্তু হৈছে – শিক্ষা প্ৰক্ৰিয়া গ্ৰহণ কৰি থকা মানৱসকল। সাধাৰণ কথাত ক'বলৈ হ'লে ই বয়সস্থসকলতকৈ কমবয়সীয়াসকল, আৰু বৃহৎ পৰিৱেশতকৈ বিদ্যালয়ৰ শিক্ষণ পৰিৱেশৰ লগতহে সম্পৰ্ক ৰাখে।' ('Its subjectmatter is the behaviour of human beings undergoing the process of education Generally speaking it deals with the young rather than the old,and with the learnig situation') মুঠতে ক'ব পাৰি যে শিক্ষামনোবিজ্ঞান প্ৰায়োগিক মনোবিজ্ঞানৰ এক শাখা আৰু ই যাইকে শিক্ষণ সম্বন্ধীয় মানৱ আচৰণ তথা শিক্ষা, শিক্ষাদান প্ৰক্ৰিয়াৰ ওপৰত পেলাব পৰা মানসিক ক্ৰিয়াসমূহৰ বিষয়ে অধ্যয়ন কৰে।

শিক্ষামনোবিজ্ঞানৰ পৰিসৰ ব্যাপক, এই বিষয়ৰ অধ্যয়নৰ বিষয়বস্তু বহুধৰণৰ যেনে— শিক্ষাৰ্থী, শিক্ষাৰ্থীৰ মাজৰ ব্যক্তি পাৰ্থক্য, তেওঁলোকৰ বিভিন্ন বিকাশৰ স্তৰত দেখা দিয়া বৈশিষ্ট্যসমূহ, শিক্ষাৰ ওপৰত পৰিৱেশীয় প্ৰভাৱ, অচেতন মনৰ অধ্যয়ন, শিক্ষণ লাভ আৰু শিক্ষাদান ক্ষেত্ৰত প্ৰয়োগ কৰা পদ্ধতিসমূহ, মূল্যায়ন আৰু পৰিমাপন, নিৰ্দেশনা আৰু পৰামৰ্শদান ইত্যাদি।

শিক্ষামনোবিজ্ঞান অধ্যয়নৰ বিভিন্ন পদ্ধতি আছে। তাৰ ভিতৰত– অন্তদৰ্শন, পৰ্যবেক্ষণ, নৈদানিক, পৰীক্ষামূলক, ঘটনা বিৱৰণী, সমাজমীতি, প্ৰক্ষিপ্ত পদ্ধতি আদিয়েই প্ৰধান।

DAILY ASSAM



বৰ্তমান যুগত শিক্ষামনোবিজ্ঞানক এক গুৰুত্বপূৰ্ণ আৰু উপযোগী বিষয় হিচাপে গণ্য কৰা হৈছে। শিক্ষাব্যৱস্থাৰ বিভিন্ন দিশৰ বিকাশৰ ক্ষেত্ৰত এই বিষয়ে যথেষ্ট অৰিহণা আগবঢ়াইছে। যিকোনো শিক্ষাব্যৱস্থাত এজন শিক্ষকৰ গুৰুত্বপূৰ্ণ ভূমিকা নুই কৰিব নোৱাৰি। শিক্ষাদানৰ বাহিৰেও বিদ্যালয়ৰ বাহিৰে-ভিতৰে শিক্ষকে বহুধৰণৰ দায়িত্ব পালন কৰিবলগীয়া হয়। এই দায়িত্ব আৰু কৰ্তব্যসমূহ সুচাৰুৰূপে পালনৰ ক্ষেত্ৰত মনোবিজ্ঞান অধ্যয়নে শিক্ষক এজনক বিশেষভাৱে সহায় আগবঢ়াব পাৰে।

মনোবিজ্ঞান আৰু শিক্ষামনোবিজ্ঞানৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে অধ্যয়নৰ এক বিষয় হিচাবে মনোবিজ্ঞানৰ পৰিসৰ শিক্ষামনোবিজ্ঞানতকৈ ব্যাপক, মনোবিজ্ঞান তত্ত্ব প্ৰধান, আনহাতে শিক্ষামনোবিজ্ঞানে ঘাইকৈ প্ৰায়োগিক আৰু বাস্তৱ ভিত্তিক। মনোবিজ্ঞানৰ তুলনাত শিক্ষামনোবিজ্ঞান এক নতুন বিষয়।

প্ৰশ্নাৱলী

ছাত্ৰ-ছাত্ৰীসকল, তলত উল্লেখিত প্ৰশ্নসমূহৰ উত্তৰ প্ৰদান কৰিবলৈ চেষ্টা কৰিবা। কাৰণ এই কাৰ্য্যই তোমালোকক অধ্যায়টোৰ অন্তৰ্গত বিভিন্ন বিষয়ৰ ধাৰণা অধিক স্পষ্ট হোৱাত সহায় কৰিব।

১) ৰচনাত্মক বা দীঘলীয়া প্ৰশ্ন ঃ

ক) শিক্ষামনোবিজ্ঞান বুলিলে কি বুজায়? সাধাৰণ মনোবিজ্ঞানৰ লগত ইয়াৰ প্ৰভেদ বিচাৰ কৰা।

খ) শিক্ষামনোবিজ্ঞানৰ এটি সংজ্ঞা আগবঢ়োৱা, শিক্ষাত মনোবিজ্ঞান অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে চমুকৈ লিখা।

গ) শিক্ষামনোবিজ্ঞানৰ পৰিসৰ সম্বন্ধে লিখা।

ঘ) 'এজন কৃতী শিক্ষকৰ বাবে মনোবিজ্ঞানৰ জ্ঞান অতি প্ৰয়োজনীয়'– উক্তিটিৰ বিশেষত্ব ব্যাখ্যা কৰা

বা

এজন শিক্ষকৰ বাবে মনোবিজ্ঞান অধ্যয়নৰ প্ৰয়োজন কিয়? - বহলাই লিখা।

ঙ) শিক্ষামনোবিজ্ঞান অধ্যয়নৰ কেইটিমান পদ্ধতিৰ বিষয়ে লিখা।

২) চমু প্ৰশ্ন

ক) তলৰ বাক্যসমূহ ব্যাখ্যা কৰা–

শিক্ষামনোবিজ্ঞান এবিধ বাস্তৱ ভিত্তিক বিজ্ঞান।

শিক্ষামনোবিজ্ঞান মনোবিজ্ঞানৰ এক প্ৰায়োগিক শাখা।

শিক্ষামনোবিজ্ঞানে প্ৰাপ্তবয়স্কসকলৰ আচৰণ অধ্যয়ন নকৰে।

খ) অন্তদৰ্শন পদ্ধতিৰ বিষয়ে চমুকৈ লিখা।

গ) পেস্তালজীক কিয় শিক্ষামনোবিজ্ঞানৰ পিতৃ বুলি বিবেচনা কৰা হয়।

ঘ) প্ৰক্ষিপ্ত পদ্ধতিৰ সুবিধা অসুবিধা সম্পৰ্কে লিখা।

ঙ )এজন শিক্ষকে কিয় শিক্ষাৰ্থী আৰু পাঠ দুয়োৰে বিষয়ে জনা উচিত চমুকৈ লিখা।

৩) খালী ঠাই পূৰ কৰা ঃ

ক) আধুনিক শিক্ষা ............।

খ) শিক্ষামনোবিজ্ঞান ............মনোবিজ্ঞানৰ এক শাখা।

গ) শিক্ষাত মনোবিজ্ঞানৰ নীতি প্ৰয়োগ কৰা প্ৰথম ব্যক্তিজন হ'ল .........।

ঘ) শিক্ষামনোবিজ্ঞানে শিক্ষাৰ ......... নিৰ্ণয় নকৰে।

ঙ) ৰুচোৰ শিক্ষাবিষয়ক প্ৰসিদ্ধ গ্ৰন্থখনৰ নাম..........।

তলত দিয়া উক্তিকেইটিৰ শুদ্ধতা/অশুদ্ধতা নিৰ্ণয় কৰা—

ক) প্ৰক্ষিপ্ত পদ্ধতিৰ সহায়েৰে ব্যক্তিৰ বাহ্যিক আচৰণ অধ্যয়ন কৰা হয়।

খ) শিক্ষাৰ উদ্দেশ্য স্থিৰ কৰে মনোবিজ্ঞানে, দৰ্শনে নহয়।

গ) শিক্ষামনোবিজ্ঞানে ঘাইকৈ শিক্ষাৰ্থীৰ আচৰণ অধ্যয়ন কৰে।

ঘ) পৰীক্ষণ পদ্ধতিৰ দ্বাৰা সামাজিক যোগ্যতা বিচাৰ কৰিব পাৰি।

ঙ) শিক্ষামনোবিজ্ঞান আৰু মনোবিজ্ঞান এবিধ আনবিধৰ পৰিপূৰক।

**শিক্ষাৰ্থীৰ দ্বাৰা কৰাৰ পৰা কাৰ্যাৱলী ঃ**

শিক্ষকে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলক নিজকে শিক্ষকৰ ৰূপত কল্পনা কৰিবলৈ পৰামৰ্শ দিব লাগে। তাৰ পাছত তেওঁলোকক শ্ৰেণী পৰিৱেশৰ নিম্ন উল্লেখিত সমস্যাসমূহ কি দৰে সমাধান কৰিব সেই সম্বন্ধে অতি চমুকৈ ক'বলৈ বা লিখিবলৈ দিব পাৰে।

ক) এজন ছাত্ৰই সমনীয়াৰ টিফিন চুৰ কৰে।

খ) কেইটামান ল'ৰা-ছোৱালীয়ে শ্ৰেণীত সদায় উৎপাত কৰে।

গ) এজন ছাত্ৰই শ্ৰেণীলৈ অপৰিস্কাৰ পোচাক পিন্ধি আহে।

ঘ) এগৰাকী ছাত্ৰী বৰ লাজুকীয়া,শিক্ষকৰ প্ৰশ্নৰ উত্তৰ নিদিয়ে।

ঙ) কেইজনমান ছাত্ৰ-ছাত্ৰী সদায় পলমকৈ আহে।

## প্ৰসংগ গ্ৰন্থসমূহ


১. B.D. Bhalia and R.N Safaya- Educational Psychology and Guidance, Dhanpat Rai and sons. Delhi-1967

২. H.R. Bhatia- Elements of Educational Psychology, Orient Longmans Ltd. Delhi-1984

৩. J.C. Aggarwal- Essentials of Educational Psychology. Vikas Publishing House Pvt.Ltd. N. Delhi-1996

৪. S.S. Chauhan- Advanced Educational Psychology Vikas Publishing Pvt. Ltd. N. Delhi-2003

৫. M. Sengupta- Educational Psychology. New Central Book Agency Pvt. Ltd. Kolkata-1999

৬. S.S. Mathur- Educational Psychology. Vinod pustak mandir SGRA-1994


DAILY ASSAM